Rangia Teacher Training College Organises Voluntary Blood Donation Camp in Tribute to Zubeen Garg on His 54th Birth Anniversary

On 18th November 2026, Rangia Teacher Training College organised a 'Voluntary blood donation camp' on the occasion of the 54th birth anniversary of the legendary Assamese singer Zubeen Garg. The programme was organised in collaboration with the Internal Quality Assurance Cell (IQAC) of the College and Nalbari Medical College.

The programme began with the plantation of a sapling by the Academic Advisor of the institution Dr. Partha Phukan Mahanta. Principal Dr. Moumita Dutta Khataniar delivered the welcome address. Students paid tribute to Zubeen Garg through songs, poem recitation and dance performances.

Several teachers, students and staff members voluntarily donated blood. Medical professionals were also felicitated for their valuable contributions. The programme was successfully conducted with the cooperation of the teaching and non-teaching staff and the students. Finally, the General Secretary, Student Teacher Council delivered the vote of thanks.

















জুবিন গার্গৰ ৫৪সংখ্যক জন্মদিৱস উদ্‌যাপন

ৰঙিয়া শিক্ষক প্ৰশিক্ষণ কলেজত ৰক্তদান

নিয়মীয়া বাৰ্তা, ৰঙিয়া, ১৮ নৱেম্বৰ ঃ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ৰঙিয়াতো অসমবাসীৰ হিয়াৰ আমঠু, জনপ্ৰিয় শিল্পী জুবিন গার্গৰ জন্মদিৱস উপলক্ষে বিভিন্ন কার্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ত আভ্যন্তৰীণ মান নিৰূপণ কোষৰ পৃষ্ঠপোষকতাত আৰু নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ সহযোগত জুবিন গার্গৰ স্মৃতিত এক ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ শৈক্ষিক উপদেষ্টা ড° পার্থ ফুকন মহন্তই জুবিন গার্গৰ প্ৰিয় নাহৰ গছৰ পুলি ৰোপণ কৰি অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে। পৰৱর্তী কার্যসূচীত মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মৌচুমী দত্ত খাটনিয়াৰে বস্তি প্ৰজ্বলন কৰে। অধ্যাপক মাধৱ কুমাৰ নাথে গুৰু বন্দনা পৰিৱেশন কৰাৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্রীসকলে সমবেত সংগীত পৰিৱেশন কৰি অনুষ্ঠানটিত এক আধ্যাত্মিক আৰু সাংস্কৃতিক পৰিৱেশৰ সৃষ্টি কৰে। অনুষ্ঠানত ৰঙিয়া আদর্শ ১৫ পৃষ্ঠাত



ৰঙিয়া শিক্ষক প্ৰশিক্ষণ কলেজত ৰক্তদান

চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসা বিষয়া ডাঃ নীলমণি কলিতা, ডাঃ ঋষিকেশ নাথসহ স্বাস্থ্য বিভাগৰ কেই বাগৰাকীও কর্তব্যৰত বিষয়াক সম্বর্ধনা জনোৱা হয়। মহাবিদ্যালয়ৰ সহকাৰী সাধাৰণ সম্পাদিকা দীপশিখা গোহাঁয়ে অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে। অধ্যক্ষা ড° মৌচুমী দত্ত খাটনিয়াৰে আদৰণী ভাষণ প্ৰদান কৰে। ইয়াৰ পিছতে ডাঃ নীলমণি কলিতাই ৰক্তদান কার্যসূচীৰ শুভাৰম্ভ কৰে। নিজৰ ভাষণত তেওঁ ৰক্তদানৰ গুৰুত্ব আৰু মানৰ জীৱন ৰক্ষাৰ ক্ষেত্রত ৰক্তদানৰ ভূমিকা সম্পর্কে আলোকপাত কৰে। অনুষ্ঠানৰ অন্যতম আকর্ষণ আছিল ছাত্ৰ-ছাত্রীসকলে জুবিন গার্গৰ গীত পৰিৱেশন, কবিতা আবৃত্তি আৰু নৃত্য প্ৰদর্শনেৰে শিল্পীগৰাকীৰ প্ৰতি শ্রদ্ধা নিবেদন কৰা। ৰক্তদান কার্যসূচীত মহাবিদ্যালয়ৰ গ্রন্থাগাৰিক নিৰেন কলিতা, অধ্যাপক নীলম শইকীয়াৰ লগতে ছাত্ৰ-ছাত্রী অৰূপ কলিতা, বিপ্লৱ ডেকা, ৰেখামণি পায়েং, দেৱশ্রী কাশ্যপ আৰু ফেইলাও বড়োৱে ৰক্তদান কৰে। অনুষ্ঠানটো সফল কৰি তোলাত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্রী, মিডিয়া চেলৰ সম্পাদক দেৱাংগী দাস, সহকাৰী সম্পাদক ৰ'জী বিশ্বকর্মাৰ লগতে সমূহ ছাত্ৰ-ছাত্রীয়ে সহযোগিতা আগবঢ়ায়। শেষত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক জয়ন্ত পালে শলাগৰ শৰাই আগবঢ়ায়।

****